Total No. of Printed Pages—3

**1 SEM TDC ASM M 1**

**2021**

( March )

ASSAMESE

( Major )

Course : 101

**( History of Assamese Literature )**

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) অসমীয়া সাহিত্যৰ যুগ-বিভাজন কৰোঁতা যি কোনো এজন পণ্ডিতৰ নাম লিখাঁ।

(খ) ফকৰা-যোজনা, প্ৰৱচন, বিহুগীত আদি কোন শ্ৰেণীৰ সাহিত্য ?

(গ) অসমীয়া ভাষাত পোনপ্ৰথম কোনে ৰামায়ণ অনুবাদ কৰিছিল ?

(ঘ) মাধৱদেৱ কোন যুগৰ কবি ?

(ঙ) পাঁচালী কবি ৰূপে খ্যাত যি কোনো এজন কবিৰ নাম লিখা।

(চ) 'কিতাবত মঞ্জৰি' নামৰ গণিতৰ পুথিখনৰ ৰচকজনৰ নাম লিখা।

(ছ) চৰিত পুথিসমূহ কোন যুগৰ সাহিত্য?

(জ) 'কথা-গীতা', 'কথা-ভাগৱত', 'কথা-ৰত্নাৱলী' আদি কাৰ ৰচনা?

২। (ক) অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতা যি কোনো এজনৰ যুগ-বিভাজন সম্পৰ্কে সবিশেষ আলোচনা কৰা। ১৪

অথবা

(খ) অসমীয়া সাহিত্যৰ যুগ-বিভাজনৰ বেলিকা উদ্ভৱ হোৱা সমস্যাৰ বিষয়ে বিশদ আলোচনা দাঙি ধৰা।

৩। (ক) অসমীয়া লোকগীতসমূহৰ শ্ৰেণীবিভাজন কৰি যি কোনো এক শ্ৰেণী লোকগীতৰ বিষয়ে বিৱৰি লিখা। ৩+১১=১৪

অথবা

(খ) ডাকৰ বচনসমূহৰ পৰিচয় আৰু বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা। ১৪

৪। (ক) প্ৰত্ন অসমীয়া সাহিত্যৰ পৰিচয় আৰু এই যুগৰ সাহিত্যৰ বিশেষত্বসমূহ আলোচনা কৰা। ১৫

অথবা

(খ) প্ৰাক্-শংকৰী যুগৰ যি কোনো এজন কবিৰ কাব্য-কৃতি সম্পৰ্কে বিশ্লেষণ দাঙি ধৰা।





৫। (ক) মাধৱদেৱৰ সাহিত্য-কৃতিৰ পৰিচয়মূলক এটি টোকা লিখা। ১৫

অথবা

(খ) চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(১) পাঁচালী সাহিত্য

(২) বৰগীত

(৩) ঝুমুৰা

(৪) অংকীয়া নাট

৬। (ক) অসমীয়া সাহিত্যৰ ইতিহাসত চৰিত সাহিত্যৰ স্থান আৰু মূল্য সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা। ১৪

অথবা

(খ) চমু আলোচনা আগবঢ়োৱা (যি কোনো দুটা) : ৭+৭=১৪

(১) ভট্টদেৱৰ ৰচনাৱলী

(২) শংকৰোত্তৰ যুগৰ নাট

(৩) চৰিত সাহিত্য

★★★